**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-05-2024
**Time :** 1340 Hrs

***Assamese Midday Bulletin***

**:::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ এটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে ব্যাপক প্ৰচাৰ অভিযান চলাইছে।

২। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোডীয়ে আজি উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰত নিৰ্বাচনী প্ৰচাৰ চলাব। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ৰায়বেৰেলীত নিৰ্বাচনী সভা সম্বোধন কৰিব।

৩। সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

৪। অসম গণ পৰিষদৰ প্ৰাক্তন সভাপতি, বৰ্ষীয়ান ৰাজনীতিবিদ, প্ৰাক্তন শিক্ষা মন্ত্ৰী, ৰঙিয়াৰ তিনিবাৰৰ বিধায়ক থানেশ্বৰ বড়োৰ আজি পুৱা চিকিৎসাধীন অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্‌, মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি হ'ব।

ooooooo

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ এটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলাইছে। পঞ্চম পৰ্যায়ত ২০ মে'ত ৪৯টা সমষ্টিৰ বাবে ভোটগ্ৰহণ হোৱাৰ বিপৰীতে ষষ্ঠ পৰ্যায়ত ২৫ মে'ত আৰু সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭ টাকৈ সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি একেৰাহে দ্বিতীয় দিনৰ বাবে উত্তৰ প্ৰদেশত প্ৰচাৰ অভিযানত ভাগ ল'ব। শ্ৰীমোদীয়ে আজি বাৰাবাংকী, ফতেহপুৰ আৰু হামিৰপুৰত ৩ খন নিৰ্বাচনী সভাত ভাষণ দিব। বিজেপিৰ নেতাগৰাকীয়ে আজি মহাৰাষ্ট্ৰৰ মুম্বাই ছাউথ চেণ্ট্ৰেল সংসদীয় সমষ্টিতো নিৰ্বাচনী সমাবেশত অংশ ল'ব। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ প্ৰদেশ, ওড়িশা আৰু ঝাৰখণ্ডত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। শ্ৰীশ্বাহে উত্তৰ প্ৰদেশৰ আমেথি লোকসভা সমষ্টিৰ বাবে প্ৰচাৰ চলোৱাৰ লগতে ঝাৰখণ্ডৰ ৰাঁচী লোকসভা সমষ্টিত ৰোড শ্ব'ত অংশ ল'ব। তদুপৰি, ওড়িশাৰ ৰুৰকেলাত ভাৰতীয় জনতা পাৰ্টীৰ বিজয় সংকল্প যাত্ৰাতো ভাগ ল'ব। একেদৰে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা যোগী আদিত্য নাথে বলৰামপুৰ, বাৰাবাংকী, লক্ষ্ণৌ আৰু অযোধ্যাত দলৰ হকে প্ৰচাৰ চলাব। অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কবিসূৰ্যানগৰ, কান্তাবনজী, লোইচিংঘা আৰু দেলাং-কানাছত নিৰ্বাচনী প্ৰচাৰ চলাব।

ইফালে, কংগ্ৰেছ নেতা ৰাহুল গান্ধী, ছোনিয়া গান্ধী আৰু প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱৰ সৈতে ৰায়বেৰেলীত এখন নিৰ্বাচনী সভাক যৌথভাৱে সম্বোধন কৰিব। কংগ্ৰেছৰ ৰাষ্ট্ৰীয়

সভাপতি মল্লিকাৰ্জুন খাৰ্গেই মুম্বাইত আজি আই এন ডি আই মিত্ৰজোঁটৰ এখন জনসভাত ভাগ ল'ব। কালি ভূৱনেশ্বৰত এখন সংবাদমেল সম্বোধন কৰি শ্ৰীখাৰ্গেই বি জে ডি চৰকাৰে ৰাজ্যখনৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ সুযোগ প্ৰদান কৰাত ব্যৰ্থ হোৱা বুলি অভিযোগ তোলে।

এ আই এম আই এমৰ মুৰব্বী আছাদুদ্দিন ওৱেচিয়ে আজি অপনা দল কামেৰৱাড়ীৰ সভাপতি পল্লৱী পেটেলৰ সৈতে কৌচাম্বি জিলাত নিৰ্বাচনী সমাৰেশত ভাগ ল'ব।

ইফালে আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰৱিন্দ কেজৰিৱালে আজি অমৃতসৰৰ পৰা দলৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান আৰম্ভ কৰিব। অমৃতসৰত শ্ৰীকেজৰিৱালে পাঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত সিং মানৰ সৈতে এটা ৰোড শ্ব'ত ভাগ ল'ব। ৰোড শ্ব'ৰ পূৰ্বে দুয়োগৰাকী নেতাই স্বৰ্ণ মন্দিৰ আৰু দুৰ্গীয়ানা মন্দিৰত পূজা অৰ্চনা আগবঢ়াব আৰু পাঞ্জাৱৰ জনসাধাৰণৰ শান্তি, সমৃদ্ধি কামনা কৰিব।

ওড়িশাতো লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। বিজেপি, কংগ্ৰেছ আৰু বিজেডিৰ জ্যেষ্ঠ নেতাসকলে দলীয় প্ৰাৰ্থীৰ হকে ভোটদাতাৰ মন জয় কৰাৰ বাবে ৰাজ্যখনৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কালি ভূৱনেশ্বৰত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে আৰু সুন্দেৰগড় তথা বাড়গড় লোকসভা সমষ্টিত দুখন নিৰ্বাচনী সভাত ভাষণ দিছে। বিজেডিৰ মুৰব্বী তথা ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনায়কেও কালি ভূৱনেশ্বৰত এটা ৰোড শ্ব'ত ভাগ লয়।

মহাৰাষ্ট্ৰতো প্ৰচাৰ অভিযান তুংগত উঠিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী একনাথ সিন্দেই কালি নাছিকত দলৰ হকে প্ৰচাৰ চলায়। আনহাতে ধুলেৰ কংগ্ৰেছ প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলাই এন চি পিৰ মুৰব্বী শাৰদ পাৱাৰে কয় যে, জনসাধাৰণে ৰাজনৈতিক পৰিৱৰ্তন বিচাৰিছে আৰু মহাবিকাশ অঘৰী মিত্ৰজোঁটৰ হকে অনুকূল বাতাবৰণ সৃষ্টি হৈছে।

০০০০০০০

মুম্বাইৰ বান্দ্ৰা-কুৰ্লা কমপ্লেক্স গ্ৰাউণ্ডত আই এন ডি আই মিত্ৰজোঁটে আজি সমাবেশৰ আয়োজন কৰিছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল, এন চি পিৰ জ্যেষ্ঠ নেতা শাৰদ পাৱাৰ, উদ্ধৱ থাকৰে আৰু আই এন ডি আই মিত্ৰজোঁটৰ আন আন নেতাসকলেও এই সমাবেশত অংশ ল'ব।

০০০০০০০

সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন। এই পৰ্যায়ত সাতখন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৫৭টা সমষ্টিৰ বাবে ১ জুনত ভোটগ্ৰহণ কৰা হ'ব। সপ্তম তথা অন্তিম পৰ্যায়ত উত্তৰ প্ৰদেশ আৰু পাঞ্জাবৰ ১৩খনকৈ, পশ্চিম বংগৰ ৯খন, বিহাৰৰ ৮খন, ওড়িশাৰ ৬খন, হিমাচল প্ৰদেশৰ ৪খন, ঝাৰখণ্ডৰ তিনিখন আৰু কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড়ৰ এখন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ৪ জুনত আটাইকেইটা পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

০০০০০০০

সম গণ পৰিষদৰ প্ৰাক্তন সভাপতি, বৰ্ষীয়ান ৰাজনীতিবিদ, প্ৰাক্তন শিক্ষা মন্ত্ৰী, ৰঙিয়াৰ তিনিবাৰৰ বিধায়ক থানেশ্বৰ বড়োৰ আজি পুৱা চিকিৎসাধীন অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ। যোৱা ১৩ মে'ত সংকটজনক অৱস্থাত ৰঙিয়াৰ এখন ব্যক্তিগত চিকিৎসালয়ৰ পৰা তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ স্থানান্তৰ কৰা হৈছিল।

প্ৰাক্তন মন্ত্ৰীগৰাকীৰ উন্নত চিকিৎসাৰ বাবে স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ সঞ্চালকৰ নেতৃত্বত এদল চিকিৎসা বিশেষজ্ঞৰে বিশেষ বোৰ্ড গঠন কৰি চিকিৎসা সেৱা আগবঢ়াই আহিছিল যদিও আজি পুৱা তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

০০০০০০০

নগালেণ্ডৰ কেবিনেটে পূব নাগালেণ্ড পিপলছ অৰ্গেনাইজেশ্যনক অহা ২৬ জুনত অনুষ্ঠিত হ'বলগীয়া স্থানীয় নগৰ সমিতি নিৰ্বাচনত অংশগ্ৰহণৰ পৰা বিৰত থকাৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ আবেদন জনাইছে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী তথা ৰাজ্যৰ মুখপাত্ৰ কে জি কেনিয়ে কৈছে যে ৰাজ্যখনৰ কেবিনেটে পুনৰবাৰ ENPO আৰু ইয়াৰ অন্তৰ্গত সংস্থাসমূহক উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি অনুষ্ঠিত হ'বলগীয়া স্থানীয় নগৰ সমিতি নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

মুম্বাইৰ বান্দ্ৰা-কুৰ্লা কমপ্লেক্স গ্ৰাউণ্ডত আই এন ডি আই মিত্ৰজোঁটে আজি সমাবেশৰ আয়োজন কৰিছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল, এন চি পিৰ জ্যেষ্ঠ নেতা শাৰদ পাৱাৰ, উদ্ধৱ থাকৰে আৰু আই এন ডি আই মিত্ৰজোঁটৰ আন আন নেতাসকলেও এই সমাবেশত অংশ ল'ব।

০০০০০০০০০

আম আদমী পাৰ্টীৰ ৰাজ্যসভাৰ সাংসদ স্বাতী মালিৱালে দিল্লীৰ মুখ্যমন্ত্ৰী অৰৱিন্দ কেজৰিৱালৰ ব্যক্তিগত সহায়কগৰাকীয়ে কৰা অসৎ আচৰণ কৰাৰ ঘটনাক লৈ দিল্লী আৰক্ষীৰ ওচৰত অভিযোগ দাখিল কৰিছে। শ্ৰীমতী মালিৱালে সামাজিক মাধ্যম যোগে কৈছে যে, তেওঁ ঘটনা সন্দৰ্ভত আৰক্ষীৰ ওচৰত জবানবন্দী দিছে। এই ক্ষেত্ৰত উচিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সাংসদগৰাকীয়ে আশাপ্ৰকাশ কৰিছে। শ্ৰীমতী মালিৱালে বিজেপিক এই ঘটনাক লৈ ৰাজনীতি নকৰিবলৈ আহ্বান জনাইছে। অন্য এটা দলৰ নিৰ্দেশ মৰ্মে এনে ধৰণৰ অভিযোগ উত্থাপন কৰা বুলি মন্তব্য কৰি একাংশ লোকে তেওঁৰ চৰিত্ৰ হননৰ চেষ্টা চলোৱা বুলি সাংসদগৰাকীয়ে প্ৰকাশ কৰে।

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ ব্যক্তিগত সহায়ক বিভৱে  যোৱা ১৩ মে'ত মুখ্যমন্ত্ৰীৰ বাসগৃহত স্বাতি মালিৱালৰ সৈতে অসৎ আচৰণ কৰা বুলি অভিযোগ উঠিছে।

০০০০০০০

মংগোলিয়াৰ উলানবাটাৰত অনুষ্ঠিত ভাৰত আৰু মংগোলিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ দ্বাদশ যুটীয়া কাৰ্যকৰী গোটৰ বৈঠকৰ আজি সামৰণি পৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ যুটীয়া সচিব অমিতাভ প্ৰসাদ আৰু মংগোলিয়াৰ প্ৰতিৰক্ষা বিভাগৰ যুটীয়া সচিব ব্ৰিগেডিয়াৰ জেনেৰেল গানখুয়াগ ডাবাগোডজে যুটীয়াভাৱে এই বৈঠকত অধ্যক্ষতা কৰে। মংগোলিয়াত ভাৰতৰ ৰাষ্ট্ৰদূত অতুল মালহাৰি গটছুৰভেও এই বৈঠকত অংশগ্ৰহণ কৰে। দুদিনীয়া বৈঠকৰ এই সময়ছোৱাত দুয়ো পক্ষই উভয় ৰাষ্ট্ৰৰ মাজৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত সহযোগিতাৰ বাবে সন্তোষ ব্যক্ত কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি দুয়োখন ৰাষ্ট্ৰই ভালেমান দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতা পদক্ষেপৰ অগ্ৰগতি সম্পৰ্কে পৰ্যালোচনা কৰাৰ লগতে এই ক্ষেত্ৰসমূহত সহযোগিতা অধিক বৃদ্ধি কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে। তেওঁলোকে সাম্প্ৰতিক ভূ-ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কেও মনোভাৱ বিনিময় কৰে।

০০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

উল্লেখযোগ্য যে আই পি এলত ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু গুজৰাট টাইটানছৰ মাজত কালিৰ খেলখন বৰষুণৰ বাবে টছ্ নোহোৱাকৈয়ে পৰিত্যক্ত ঘোষণা কৰা হয়। ফলত হায়দৰাবাদ দলটো প্লে অফ পৰ্যায়ত প্ৰৱেশ কৰে। প্লে অফ পৰ্যায়ৰ চতুৰ্থ তথা অন্তিম স্থানৰ বাবে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু চেন্নাই ছুপাৰ কিংছৰ মাজত প্ৰতিদ্বন্দ্বিতা অব্যাহত আছে।

০০০০০০০

**সমাপ্ত**